# Krishnachura

# কৃষ্ণচূড়া

A Multilingual Annual Publication of SOFEC

Vol. 7

June 2018 - May 2019



**SOCIETY FOR ENVIRONMENTAL CONSERVATION (SOFEC)**

DHSK College, Dibrugarh (Assam)
E-mail : sofecnewsletter@yahoo.com

## Office Bearers and Eecutives Members of SOFEC for the year : 2018-19

The Committee for the year 2018-19 formes on 28th June, 2018

| | |
|---|---|
| Advisor | : Dr. Sashi Kanta Saikia, Principal, DHSK College |
| President | : Dr. Sikhamoni Sarmah, Dept of Chemistry |
| Vice-President | : Prof. Sultana Hazarika, Dept. of Zoology<br>Prof. Lamkholal Doungel, Dept. of Political Science |
| Secretary | : Dr. Nitumoni Saikia, Dept. of Anthropology |
| Assistant Secretary | : Dr. Porag Jyoti Chutia, Dept. of Physics<br>Mrs. Hiramoni Lalung, Dept. of Philosophy |
| Treasurer | : Dr. Reeta Podder, Dept. of Bengali |
| Executive Members | : Prof. Kalpana Sengupta Baruah, Dept. of Hindi<br>Dr. Moromi Talukdar, HOD, Dept. of Anthropology<br>Prof. Anup Jyoti Bharali, Dept. of Anthropology<br>Prof. Tikendrajit Gogoi, Dept. of Zoology<br>Prof. Titus Bhengra, Dept. of Political Science (Retd.)<br>Dr. Chandana Goswarni, Dept. of History<br>Prof. Anjumoni Phukan, Dept. of Assamese<br>Prof. Kumkum Chakraborty, Dept. of Bengali<br>Prof. Kalyani Das, Dept. of Sanskrit<br>Prof. Ananta Teron, Dept. of Assamese<br>Mrs. Rubab Fatema Nomani, Dept. of Economics |
| Ex-officio Members | : Dr. Moromi Talukdar, HOD, Dept. of Anthropology<br>Prof. Anjumoni Phukan, Dept. of Assamese |

# Krishnachura

## কৃষ্ণচূড়া

A Multilingual Annual Publication of SOFEC

|| Vol. - 7 || June 2018 - May 2019 ||

SOCIETY FOR ENVIRONMENTAL CONSERVATION (SOFEC)

DHSK College, Dibrugarh (Assam)

E-mail : sofecnewsletter@yahoo.com

**KRISHNACHURA** : A Multilingual Annual Publication of SOFEC, D.H.S.K. College, Dibrugarh, Printed at Jeet Print Soft, Dibrugarh (Assam)

**Members of Editorial Board**

Advisor : Dr. Sashi Kanta Saikia, Principal, DHSK College


Editor : Prof. Dinalisha Bora, Dept. of Botany

Assistant Editors : Prof. Sikha Moni Koch Dewri, Dept. of Assamese
Mrs. Urmila Ranchiary, Dept. of Philosophy

Members : Prof. Kalpana Sengupta Baruah, Dept. of Hindi
Dr. Moromi Talukdar, HOD, Dept. of Anthropology
Prof. Anup Jyoti Bharali, Dept. of Anthropology
Prof. Tikendrajit Gogoi, Dept. of Zoology
Prof. Titus Bhengra, Dept. of Political Science (Retd.)
Dr. Chandana Goswarni, Dept. of History
Prof. Anjumoni Phukan, Dept. of Assamese
Prof. Kumkum Chakraborty, Dept. of Bengali
Prof. Kalyani Das, Dept. of Sanskrit
Prof. Ananta Teron, Dept. of Assamese
Mrs. Rubab Fatema Nomani, Dept. of Economics

Cover Page Designed by : Debajit Bora

Printed at : Jeet Print Soft
Chiring Chapori, Dibrugarh
Cell - 9954481367



# EDITORIAL



SOFEC (Society for Environmental Conservation) is the brain child of a few dedicated, environmentally concerned, responsible members of DHSK College family. It started off in the year 2002 and gradually spread its roots. It stands out to be a prominent body of the college and has been religiously associated with spreading awareness on environmental conservation amongst the students of the college and several other schools. The Krishnachura trees of the college campus speak of the history of SOFEC and its efforts.

KRISHNACHURA, the annual multilingual magazine of SOFEC was started as the then NATURE in the year 2012. This magazine has served as a platform for expression of the views and experiences of the members of this Society regarding environmental conservation. It ensembles the ideas of the writers and presents it to the hands of the readers in a hope of bringing about a change, perhaps the slightest possible, in the way the environment has been perceived so far.

I am proud to present the 7th Volume of the magazine. It brings to you 10 nos. of articles and a poetry relating to various aspects of the environment. I thank each and every one who have taken out time from their busy schedules and contributed articles for this magazine.

My sincere thanks to Principal Sir for all his support and co-operation. His enthusiasm has always encourage us to work harder and be responsible towards our environment.

Last but not the least, I would like to thank two of my colleagues, Ms Sikhamoni Koch Dewri and Ms Urmila Ramchiary, the sub-editors for their constant support.

**– Dinalisha Bora**
Editor
Krishnachura'2019

## CONTENTS


| | | |
|---|---|---|
| 5 | ➢ ২০৫০ চনৰ পৃথিৱী ঃ প্ৰাণীকূল জীয়াই থাকিবগৈ নে? | — ড° শশীকান্ত শইকীয়া |
| 8 | ➢ অনুভৱৰ বোকোছাত - কৃষ্ণচূড়া, চফেক আৰু কানৈ কলেজ | — কল্পনা সেনগুপ্তা বৰুৱা |
| 10 | ➢ বতাহছাটিত | — কল্পনা সেনগুপ্তা বৰুৱা |
| 11 | ➢ Human Rights and Environment | – Dr. (Mrs) Sikhamoni Sarmah |
| 14 | ➢ Urban Sprawl As A Cause of Environmental Degradation | – Meetali Chalia |
| 16 | ➢ Biodiversity & Scientific Naming of Plants | – Rajib Lochan Borah |
| 19 | ➢ Antioxidant in our everyday food | – Alakananda Baruah |
| 21 | ➢ এটা সেউজীয়া সপোন | — অঞ্জুমণি ফুকন |
| 23 | ➢ আমি আৰু আমাৰ পৰিৱেশ | — শিখামণি কোচ দেউৰী |
| 25 | ➢ Wangari Maathai (Environmentalist) | – Sunanda Sahu |
| 27 | ➢ FOREST : A Bioresource | – Dr. Bhaswati Kakati |




# ২০৫০ চনৰ পৃথিৱী ঃ প্ৰাণীকূল জীয়াই থাকিবগৈ নে?

ড° শশীকান্ত শইকীয়া

প্ৰযুক্তিয়ে পৰিৱেশৰ ওপৰত কেনেদৰে প্ৰভাৱ পেলাইছে সেয়া অধ্যয়ন আৰু গৱেষণাত প্ৰকাশ পাইছে। ১৭০০ শতিকাৰ পৰা যেতিয়াই উদ্যোগীকৰণে গা কৰি উঠিব ধৰিলে তেতিয়াৰ পৰাই মানুহৰ জীৱন ধাৰণ প্ৰণালীত প্ৰভাৱ পেলাবলৈ ধৰিছে। ইংলেণ্ডত গঢ়ি উঠা ব্যাপক উদ্যোগীকৰণে মানুহৰ জীৱন প্ৰণালী যিমান সহজ কৰি তুলিলে সিমান মানুহৰ জীৱনৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাবলৈ ধৰিছে। উদ্যোগীকৰণে মানুহক জীৱনক সহজ পথ নিৰ্ণয় কৰিলেও ব্যাপক হাৰত পৰিৱেশৰ ওপৰত প্ৰভাৱ পেলাইছে। পৰিৱেশ প্ৰদূষণে মানুহৰ জীয়াই থকাৰ আয়ুস কমাই আনিবলৈ ধৰিছে। বায়ু প্ৰদূষণ, শব্দ প্ৰদূষণ, পানী প্ৰদূষণে মানুহক জীয়াই থকাৰ ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পেলাবলৈ ধৰিছে। ইয়াৰ ফলত ন ন ৰোগৰ সৃষ্টি হৈছে। প্ৰযুক্তিৰ উত্তৰণে মানৱ সমাজখনক যেনেকৈ আগুৱাই নিছে, তেনেকৈ এক প্ৰকাৰ ধ্বংসও মাতি আনিছে। শেহতীয়া এক গৱেষণাত প্ৰকাশ পাইছে যে, ব্যাপক হাৰত স্মাৰ্ট ফোন ব্যৱহাৰে মানুহক নতুন ৰূপ অৰ্থাৎ চেহেৰা সৃষ্টি কৰিছে। স্মাৰ্ট ফোনৰ ব্যৱহাৰে মানুহক মগজুৰ ক্ষতি সাধন কৰাই নহয় বেছি সময় স্মাৰ্ট ফোন লিৰিকি বিদাৰি থকাৰ ফলত মানুহৰ জকাৰ পৰিৱৰ্তন হ'বলৈ ধৰিছে। অষ্ট্ৰেলিয়াৰ কুইন্সলেণ্ড বিশ্ববিদ্যালয়ৰ কেইজনমান গৱেষকে গৱেষণা কৰি তথ্য লাভ কৰিছে যে মানুহে স্মাৰ্ট ফোন বা কম্পিউটাৰ অধিক সময় ব্যৱহাৰ কৰাৰ ফলত আগফালে মূৰটো হাউলিবলৈ ধৰে। একেৰাহে এনেদৰে আগফালে হাউলি স্মাৰ্ট ফোন চোৱাৰ ফলত মানুহৰ জকাৰ গঠন সলনি হ'বলৈ ধৰিছে। এনেদৰে জকাৰ ৰূপ সলনি হোৱাৰ ফলত ই এটা টেমুনা বা আচহুৱা খহুৰ ৰূপ লৈ এক প্ৰকাৰ শিঙৰ দৰে হৈ বাহিৰলৈ ওলাই আহে। গৱেষক দলটোৰ মুৰব্বী ডেভিদ শ্বহাৰৰ মতে অতি বেছি স্মাৰ্ট ফোন ব্যৱহাৰ কৰাৰ ফলত কম বয়সীয়া মানুহৰ ক্ষতি হৈছে। 'নেচাৰ' নামৰ আলোচনীত প্ৰকাশিত এটা লেখাত কোৱা হৈছে যে মোবাইলৰ স্ক্ৰীনত অধিক সময় চকু ৰখাৰ ফলত মানুহৰ হাড়ৰ গঠনো সলনি হ'বলৈ ধৰিছে। এই গৱেষণাৰ ফলত লাভ কৰা তথ্যৰ মতে মানুহৰ শৰীৰত শিঙৰ দৰে এবিধ টেমুনা হ'বলৈ ধৰিছে। প্ৰকৃততে মানুহে অত্যাধিক হাৰত স্মাৰ্ট ফোন ব্যৱহাৰৰ ফলত শৰীৰৰ আকৃতি সলনি হ'বলৈ ধৰিছে। দেখা যায় যে এজন মানুহে সাধাৰণতে যেনেদৰে বহি থিয় হয়, তেনেদৰে স্মাৰ্ট ফোন

ব্যৱহাৰ কৰিলে তেনেদেৰ থিয় হৈ থকাটো সম্ভৱ নহয়। এনেদৰে মানুহৰ শৰীৰৰ আকৃতিৰ পৰিৱৰ্তন হ'বলৈ ধৰিছে। কেৱল সেয়াই নহয় মানুহৰ এনে আচৰণৰ বাবে অত্যাধিক মূৰৰ বিষ বা ডিঙি, পিঠিৰ বিষত আক্ৰান্ত হ'বলৈ ধৰিছে। অধ্যয়নকাৰী দলটোৰ মতে মানুহৰ শৰীৰৰ আকৃতি পৰিৱৰ্তন হোৱাটো ডাঙৰ কথা নহয়, ডাঙৰ কথাটো হ'ল মানুহৰ শৰীৰত হোৱা পৰিৱৰ্তন- বিভিন্ন ৰোগে আক্ৰান্ত কৰাটোহে। তিনি বছৰৰ আগতে মানুহৰ লাওখোলাৰ ওপৰত চলোৱা অধ্যয়নৰ ফলত এই সিদ্ধান্তত উপনীত হয়। তেওঁলোকৰ ম'তে মূৰৰ পিছফালৰ পৰা হাড়ৰ দৰে কঠিন অংগ ওলাবলৈ ধৰে। অত্যাধিক মোবাইল ফোনৰ ব্যৱহাৰৰ ফলতে মানুহৰ হাড়ৰ এনে পৰিৱৰ্তন হোৱা বুলি তেওঁলোকে ক'ব খোজে। অধ্যয়নটোত কোৱা হৈছে যে, মানুহৰ শৰীৰৰ এনে পৰিৱৰ্তন জীনৰ বাবে নহয়, অত্যাধিক হাৰত স্মাৰ্ট ফোন ব্যৱহাৰ কৰাৰ ফলত এনে হ'বলৈ ধৰিছে। মানুহৰ জকাৰ পৰিৱৰ্তন হোৱাৰ লগে লগে অন্যান্য পৰিৱেশৰ ওপৰতো প্ৰভাৱ নপৰাকৈ থকা নাই। মানুহৰ হতাশা বৃদ্ধি পাইছে, শ্ৰৱণ শক্তিৰ ক্ষতি হৈছে আৰু ডিঙিৰ বিষৰ পৰিমাণো বৃদ্ধি পাইছে।

২০৫০ চনত মানুহৰ সভ্যতা আৰু সংস্কৃতি কেনে হ'বগৈ পাৰে সেই বিষয়েও প্ৰকৃতিবিদসকলে নিশ্চিত কৰিছে। ২০৫০ বৰ্ষটো মানুহৰ জীৱনৰ বাবে ভয়াৱহ হৈ পৰিব বুলিও প্ৰকৃতিবিদসকলে ধাৰণা কৰিছে। বৰ্তমানতকৈও অধিক হাৰত অৰ্থাৎ কাৰ্বন-ডাই-অক্সাইড নিঃসৰণ পৰিমাণ ৭০ শতাংশ বৃদ্ধি পাব আৰু বৰ্তমানতকৈও ৫০ শতাংশ গ্ৰীণ হাউচ গেছ বৃদ্ধি পাব। বৰ্তমান ধাৰাত পৰিৱেশৰ ওপৰত পৰা প্ৰভাৱ অব্যাহত থাকিলে পৃথিৱীত মানুহৰ সংখ্যা ২০৫০ বৰ্ষত ৯.২ বিলিয়ন হ'বগৈ। আজিৰ তুলনাত শক্তিৰ পৰিমাণ ৮০ শতাংশ বৃদ্ধি পাব। আজিৰ দৰে কয়লা, তেল, গেছ আদিৰ চাহিদা বা উৎপাদন একে নাথাকিব। কল্পনা কৰিবলৈও ভয় লাগে যে আহি থকা পৃথিৱীখন কেনে এখন পৃথিৱী হ'বলৈ গৈ আছে। গোলকীয় উষ্ণতা ৬ ডিগ্ৰী চেন্টিগ্ৰেড বৃদ্ধি পাব। মানুহৰ খাদ্যৰ বাবে নাটনি হ'ব। এখন ভয়াৱহ পৃথিৱীৰ দিশে আগুৱাই গৈছে আমাৰ সভ্যতা, আমাৰ পৃথিৱী। নগৰ চহৰসমূহত মানুহৰ সংখ্যা অস্বাভাৱিক হাৰত বৃদ্ধি পাব আৰু গাঁৱত থকা মানুহৰ সংখ্যা ৬০০ মিলিয়ন কমি যাব। পেৰিছ পৰিৱেশ সমাৱৰ্তনত পৃথিৱীৰ আগন্তুক পৰিৱেশ সম্পৰ্কে ব্যাপক চৰ্চা কৰা হৈছিল, আলোচনা কৰা হৈছিল। বিশেষকৈ গোলকীয় উষ্ণতা পৰিৱৰ্তনে পৰিৱেশত সাংঘাটিক ধৰণে প্ৰভাৱ পেলাব বুলি কোৱা হৈছে। বৃটেইনৰ প্ৰভাৱশালী বাতৰি কাকত দ্যা গাৰ্জিয়েনত প্ৰকাশিত এক প্ৰতিবেদনত প্ৰকাশ পাইছিল যে, ২০৫০ চনত পৃথিৱীত প্ৰাণীকুল জীয়াই থকাটো সম্ভৱ নহ'ব। অত্যাধিক তাপমাত্ৰা বৃদ্ধিৰ ফলত পৃথিৱীত অধিকাংশ প্ৰাণীয়েই জীয়াই থকাটো সম্ভৱ নহ'ব। ইয়াৰ বাবে ঘাইকৈ মানৱ প্ৰজাতি দোষী বুলি কোৱা হৈছে। অত্যাধিক গছ-গছনি ধ্বংস কৰা, খাদ্য প্ৰযুক্তি, উদ্যোগিক ইত্যাদি কাৰণত পৃথিৱীখন প্ৰদূষিত কৰা আৰু মানৱকুলৰ অবিবেচক কামৰ বাবে পৃথিৱীখন ধ্বংস হোৱাৰ দিশে আগুৱাই গৈছে। পৰীক্ষাসমূহে প্ৰমাণ কৰিছে যে শীত আৰু গ্ৰীষ্ম দুয়োটা ঋতুতে গৰমৰ পৰিমাণ বৃদ্ধি পাব। ২০৩৬ চনৰ পৰা ২০৫০ চনলৈ গড় উষ্ণতাৰ পৰিমাণ অত্যাধিক হাৰত বৃদ্ধি পাব বুলি কোৱা হৈছে। এনে উষ্ণতা বৃদ্ধিয়ে মানৱ কুলৰ ওপৰত ব্যাপক হাৰত প্ৰভাৱ পেলাব বুলি কোৱা হৈছে। বছৰি বছৰি ঘন জংঘলৰ পৰিমাণ হ্ৰাস পাইছে। পৃথিৱীত গছ-বননিৰ সংখ্যা হ্ৰাস পোৱাৰ ফলতেই পৰিৱেশজনিত সমস্যা সৃষ্টি হোৱা বুলি অধ্যয়নসমূহত প্ৰকাশ পাইছে। প্ৰকৃতি সুৰক্ষাৰ বাবে এক ব্যাপক আন্দোলন গঢ়ি নুতুলিলে ২০৫০





চনৰ পিছত কোনোপধ্যে জীৱকুল জীয়াই নাথাকে বুলি গৱেষক পণ্ডিতসকলে প্ৰমাণ কৰিছে। তেওঁলোকৰ মতে প্ৰতি দহ বছৰৰ মূৰে মূৰে ২ ডিগ্ৰী চেলছিয়াছকৈ উষ্ণতা বৃদ্ধি পাইছে।

২০৫০ চনৰ ভিতৰত পৃথিৱীত খোৱা পানীৰ সমস্যা বৃদ্ধি পাব বুলিও গৱেষকসকলে তথ্য লাভ কৰিছে। পৃথিৱীত সাগৰ-মহাসাগৰ, নদ-নদীৰ পৰিমাণ ভূমি বা পৰ্বত-পাহাৰতকৈ বেছি হ'লেও এই কথা পৰিৱেশবিদসকলে প্ৰমাণ কৰিছে যে, ২০৫০ চনৰ ভিতৰত অত্যাধিক হাৰত বৃদ্ধি পাব। মানুহে খোৱা পানীৰ বাবে হাঁহাকাৰ কৰিব। ৰাষ্ট্ৰসংঘৰ এক প্ৰতিবেদন মতেও ২০৫০ চনত কমেও পাঁচ বিলিয়ন মানুহে খোৱাপানীৰ সংকটত ভুগিব। ইয়াৰ কাৰণটো হ'ল - জলবায়ুৰ পৰিৱৰ্তন, খোৱা পানীৰ চাহিদা বৃদ্ধি, পানী প্ৰদূষণ। ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদন অনুসৰি বিভিন্ন ৰাজ্য, দেশৰ মাজত পানীক লৈ বিবাদ, সভ্যতাক লৈ সংকটৰ ফলত নদী, হ্ৰদ, জৈৱভূমি, সংৰক্ষিত ভূমিৰ পানী হ্ৰাস হ'ব। জলবায়ু পৰিৱৰ্তনৰ ফলত পৃথিৱীৰ বেছিভাগ দেশ খৰাং হৈ পৰিব। প্ৰতিবেদনখনৰ মতে, মানৱকুলে প্ৰতিবছৰে ৪৬০০ কিউবিক কে.এম. পানী ব্যৱহাৰ কৰে। ইয়াৰে ৭০ শতাংশ কৃষিত, ২০ শতাংশ উদ্যোগত আৰু ১০ শতাংশ ঘৰুৱা কামত ব্যৱহাৰ হয়। বিশ্ব জল সংগঠন সমূহেও তথ্য দাঙি ধৰিছে যে, যোৱা এশ বছৰত ছয় গুণ পানীৰ ব্যৱহাৰ বৃদ্ধি পাইছে। প্ৰতিবছৰে ১ শতাংশকৈ পানীৰ ব্যৱহাৰ বৃদ্ধি পাইছে। এই হিচাব অনুসৰিয়েই ২০৫০ চনত পানীৰ চাহিদাৰ পৰিমাণ বৃদ্ধি পাব। মানুহে পানীৰ অভাৱত হাঁহাকাৰ কৰিব লাগিব। খৰাং অঞ্চলৰ পৰিমাণো যুক্তি সংগতভাৱেই পৰিৱেশ পৰিৱৰ্তনৰ বাবেই বৃদ্ধি পোৱা বুলি জনা গৈছে। ২০৫০ চনত ৪.৮ বিলিয়নৰ পৰা ৫.৭ বিলিয়ন মানুহ পানীৰ অভাৱত পৰিব। এই সংখ্যাৰ মানুহ প্ৰতিবছৰত কমেও এমাহ পানীৰ অভাৱত জীয়াই থকাৰ সম্ভাৱনা আছে বুলি প্ৰমাণ পোৱা গৈছে। মেক্সিক', পশ্চিম-দক্ষিণ আমেৰিকা, দক্ষিণ ইউৰোপ, চীন, অষ্ট্ৰেলিয়া, দক্ষিণ আফ্ৰিকা অঞ্চলত ক্ৰমান্বয়ে বৰষুণৰ পৰিমাণ কমিছে। ২০৫০ চনৰ ভিতৰত আৰু কমাৰ সম্ভাৱনা আছে। পানীৰ গুণাগুণৰ পৰিমাণ হ্ৰাস হোৱা বুলি জানিব পৰা গৈছে। মানুহে বিশেষকৈ আফ্ৰিকা, এছিয়া আৰু লেটিন আমেৰিকাৰ বহু নদ-নদী প্ৰদূষিত কৰিছে। খেতি-পথাৰত ৰসায়নিক হাৰ ব্যৱহাৰ কৰাৰ ফলত নদ-নদীৰ হ্ৰদৰ পানী প্ৰদূষিত হৈছে আৰু আশী শতাংশ উদ্যোগত ব্যৱহৃত পানী পৰিশোধন নকৰাকৈ এৰি দিয়া হৈছে। এনে সংকট আহি থকা কথাটো পৰিৱেশ বিজ্ঞানীসকলে ধৰা পেলাইছে যদিও সৰ্বসাধাৰণ মানুহে এনে সংকটৰ আগজাননী পোৱা নাই। ফলত সৰ্বদিশতে পৃথিৱীখন ধ্বংস হোৱাৰ দিশে আগুৱাই গৈছে। পৃথিৱীখন ধ্বংসৰ মুল কাৰণ যে মানুহে সেই কথাটো পৃথিৱীৰ সংখ্যক মানুহে জানিব পৰা নাই। দৈনিক কেনে বায়ু গ্ৰহণ কৰিছে, কেনে পানী ব্যৱহাৰ কৰিছে সেয়া অধিকাংশ শিক্ষিত মানুহে জানিব নুখুজে। ফলত নিজৰে স্বাস্থ্য ক্ষতি হৈছে, জীৱনৰ আয়ুস কমিছে। কিন্তু পৃথিৱীত সজাগ আৰু সচেতন দেশসমূহত পৰিৱেশক লৈ চৰ্চা হৈছে, আলোচনা হৈছে। ২০৫০ চনৰ বাবে আমি কেনে এখন প্ৰদূষণমুক্ত আৰু প্ৰাণীকুল জীয়াই ৰাখিব পৰা পৃথিৱী গঢ়ি তুলিব পাৰিম আজিয়েই চিন্তা কৰিব লাগিব।

---

লেখকৰে যোগাযোগ ঃ অধ্যক্ষ, ডি.এইচ.এছ. কানৈ মহাবিদ্যালয় আৰু ব্ৰেণ্ড এম্বেচেদৰ স্বচ্ছ ভাৰত মিছন, অসম।
মঃ ৯৪৩৫০৩০৪০৪

# অনুভৱৰ বোকোছাত - কৃষ্ণচূড়া, চফেক আৰু কানৈ কলেজ

✍ কল্পনা সেনগুপ্তা বৰুৱা ✍

কৃষ্ণচূড়া-প্ৰীতি বহু পুৰণি। তেজপুৰ জেইল চৌহদৰ বিশাল কৃষ্ণচূড়া আৰু তাৰ তলভৰি সৰা ৰঙা পাহিৰ দলিছাখন লৰালিৰ স্মৃতি কুকি।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণচূড়া পৰিবেষ্টিত সেউজ আৰু ৰঙাপাহিৰ ফাকু। জীৱনত গভীৰ ৰেখাপাত কৰা সমল। এইবোৰ প্ৰভাৱেৰে ৰঙীন হৈ থকা মনটোৱে হিয়াত পুহি ৰাখিছিল তেনে এটি পৰিবেশ সৃষ্টি কৰাৰ সপোন। কৃষ্ণচূড়া গছৰ সৰু সৰু পাতবোৰ ধুনীয়াকৈ বননিত মিলি যায়। তলখন পাত পৰি লেতেৰা নহয়। মাত্ৰ দীঘল দীঘল গুটিবোৰ এটা সময়ত সৰে। সেইকাৰণে এই জোপাৰ পৰা ঠাই অপৰিস্কাৰ নহয়।


সেয়া আছিল ১৯৯০ চনৰ কথা। অসম চিকিৎসা মহাবিদ্যালয়লৈ গৈছিলোঁ। তাতে দেখা পালোঁ বিশাল কৃষ্ণচূড়া এজোপা। তলৰ বননিত দেখিছিলোঁ দুচিৰা মাত্ৰ গুটি। লৰালিত বননিত দেওদি ফুৰা মনটোৱে উচপিচ কৰিলে। নিজৰ অজানিতেই এচিৰা কৃষ্ণচূড়াৰ গুটি বুটলি ললোঁ। ঘৰলৈ আহি টাব দুটা ঠিকঠাক কৰি গুটি কেইটা পুতি দিলোঁ। দিন বাগৰাৰ লগে লগে দুয়োটা টাবতে সৰু সৰু পুলিয়ে চকু মেলিলে। পৰম উৎসাহেৰে সিঁহতৰ লালন পালন আৰম্ভ কৰিলোঁ। দিন বাগৰি গ'ল। মনত ঔকমুকাই থকা সপোনৰ কথা মোৰ স্বামী প্ৰয়াত শান্তনু সেনগুপ্তক কলোঁ। সেইদিনা আছিল ২০০২ চনৰ ৮ আগষ্ট। সন্ধিয়া চাহ খাই খাই কথা পাতি থাকোঁতে তেখেতক ক'লো - আমাৰ কানৈ কলেজত প্ৰাকৃতিক পৰিবেশ সম্পৰ্কীয় সেউজ অনুষ্ঠান এটি সৃষ্টি চিন্তাৰ কথা। তেখেত উৎসাহিত হ'ল। তেখেতে ক'লে, 'মৰমীৰ লগত তুমি কথা পাতা।' মই লগে লগে মৰমীলৈ ফোন কৰিলোঁ। মৰমী নিজেও Natures Bacon ৰ লগত জড়িত, খুব আগ্ৰহী। তেওঁ মোৰ কথাষাৰ গুনি বৰ ভাল পালে আৰু পিছদিনা কলেজত ভালকৈ কথা পাতিম বুলি ক'লে। কথামতেই কাম। পিছদিনা কানৈ কলেজৰ শিক্ষক জিৰণী গোঠাৰ এখন বেঞ্চত বহি দুয়োজনীয়ে আলোচনা কৰিলোঁ আৰু সেইমতেই ১২ আগষ্টৰ দিনা আমি নৃ-তত্ব বিজ্ঞান বিভাগত একত্ৰিত হ'লো। ১১ আগষ্টৰ দিনা মৰমীয়ে কানৈ কলেজৰ





প্ৰতিটো বিভাগলৈ গৈ আটাইকে মিটিং খনলৈ আহিবলৈ অনুৰোধ কৰিলে। ১২ আগষ্টৰ মিটিঙত এখন সমিতি গঠন হ'ল। সৰ্বসন্মতি ক্ৰমে ভাৰতী বাইদেৱে দিয়া 'চফেক' নামটো গৃহীত হ'ল। প্ৰতিবছৰে ১২ আগষ্টৰ প্ৰতিষ্ঠা দিৱসৰ দিনা একোজোপাকৈ 'কৃষ্ণচূড়া' লগোৱা হব বুলি ঠিৰাং কৰাহ'ল। ঘৰৰ টাবত লহপহলৈ ডাঙৰ হোৱা কৃষ্ণচূড়া পুলিটোৱে ABITA Galary ৰ সন্মুখত স্থান পালে। সেইদৰে ২০০৩ চনত শিক্ষক জিৰণী কোঠাৰ সন্মুখত। প্ৰথম কৃষ্ণচূড়া জোপা ৰোৱাৰ সময়ত সমল ব্যক্তি আছিল সৌম্যদ্বীপ দত্ত আৰু চফেকৰ প্ৰতিষ্ঠাপক সভাপতি ড° শান্তনু সেনগুপ্ত তথা আমাৰ 'চফেক' পৰিয়ালৰ আটাইবোৰ সদস্য। সদস্যসকলৰ নিষ্ঠাৰ কথা মই কৈ শেষ কৰিব নোৱাৰো। ২০০৩ চনত শিক্ষক জিৰণী কোঠাৰ সন্মুখত থকা কৃষ্ণচূড়া জোপা নৃতত্ত্ব বিভাগৰ অধ্যাপক অনুপজ্যোতি ভৰালীৰ গাড়ীত ঘৰৰ পৰা লৈ আহিছিলোঁ। টাবতে ডাঙৰ হোৱা গছজোপাৰ আগটো খিড়িকীৰে ওলাই গৈছিল। মোৰ এতিয়াও মনত পৰে। প্ৰকৃতিবিদ প্ৰয়াত অধ্যাপক ডিম্বেশ্বৰ চলিহা চাৰ আৰু প্ৰতিষ্ঠাপক সভাপতি ড° শান্তনু সেনগুপ্তই যৌথ প্ৰচেষ্টাৰে গছজোপা ৰুইছিল। আজি দুয়োজন ব্যক্তিয়েই এই পৃথিৱীত নাই কিন্তু কলেজলৈ সোমাওঁতে গছজোপা দেখিলে তেওঁলোকৰ কথা আৰু তাহানিৰ স্মৃতিয়ে মনত দোলা দি যায়। পুলিটো ৰোৱাৰ পাছত এঘটি পানী দি মৰম যাচিছিলে প্ৰতিষ্ঠাপক চেক্ৰেটাৰী মৰমী তালুকদাৰে। 'চফেক'ৰ এখন মিটিঙত হোৱা আলোচনা মৰ্মে চফেকৰ বাৰ্ষিক পত্ৰিকাখনিৰ নামটো পৰিৱৰ্তন কৰা হয় সৰ্বসন্মতি ক্ৰমে। প্ৰতিষ্ঠাপক চেক্ৰেটাৰীয়ে মিটিঙত অনুৰোধ কৰা মতে 'যিহেতু কৃষ্ণচূড়া পুলিৰে আৰম্ভ গতিকে পূৰ্বৰ নামটো ঠাইত 'কৃষ্ণচূড়া' নামটো ৰাখিলে কেনে হয়?' বুলি সোধাত আটাইয়ে সেই নামটোত সন্মতি দিলে আৰু নামটো গৃহীত হ'ল। 'চফেক'ৰ বাৰ্ষিক আলোচনীখনে নিজৰ কাম কৰি লৈছে। অসীম ব্যস্ততাৰ মাজতো অধ্যক্ষ মহোদয়েকে আদি কৰি 'চফেক'ৰ সদস্য-সদস্যাসকলে নানান বিভিন্ন বিভাগীয় ৰচনাৰে 'কৃষ্ণচূড়া'ক সমৃদ্ধ কৰি আহিছে। অনাগত দিনত আৰু সমৃদ্ধ আৰু সৰ্বাতো সুন্দৰ হওঁক 'কৃষ্ণচূড়া' এয়ে আন্তৰিক কামনা।

জয়তু চফেক। জয়তু কানৈ কলেজ।



# বতাহছাটিত

কল্পনা সেনগুপ্তা বৰুৱা

বতাহছাটিত শিহৰণ জাগে
বৰষুণে পুলক আনে
শিহৰিত পুকলিত মন হয় আপ্লুত।
বতাহছাটিত শিহৰণ জাগে।।

কণ কণ বৰষুণ
মৃদু মৃদু মলয়া
নামি আহে ধৰণীলৈ
ধীৰে সমলয়ে।
শিহৰিত ..................।

ধৰণীৰে পৰশতে
নামি অহা বৰষুণ
যেন এটি গীত হৈ
ধীৰে বৈ যায়।
শিহৰিত ..................।
বতাহছাটিত শিহৰণ জাগে।

ৰিব ৰিব মলয়াৰে
মৌ মিঠা পৰশতে
লাজুকী কলিটি যেন
কঁপি ফুলি উঠে।
শিহৰিত ..................।
বতাহছাটিত শিহৰণ জাগে।





# HUMAN RIGHTS AND ENVIRONMENT

Dr. (Mrs) Sikhamoni Sarmah
Associate Professor, Dept of Chemistry, DHSK College

Human rights are the rights that a human being must enjoy on this earth .True hopes for all people for a happty,dignified and secure living conditions were raised with universal decleration of human rights(UNDHR) by the UNO on December 10,1948.This decleration provided protection to all individuals against all forms of injustice and human rights violation.The UNDHR defines specific rights, civil, political, economic, social as well as cultural. It defines the right to life, liberty, security, benefits of law,freedom of thought,expression,conscience,association and freedom of movement,equal pay for equal work,right to health care,education etc.

Human rights are considered to be universal,but is is noticed that there is a wide disparity between the developing and the developed countries.Population and proverty are often found to be the most important causes of violation of human rights in the third world countries. A survey of world health organization finds that one out of every five persons in this world is malnourished,lacks clean drinking water, lacks proper hygienic conditions and adequate health facilities.Every year 40 million people are dying due to consumption of contaminated drinking water. For the developed countries, which have already attained a high stage of development in material and economic resources, the social and economic rights get less importance than civil and political rights.On the other hand the reverse is true for the developing countries which are struggling continuously under conditions of extreme provert, ignorance, illiteracy, malnutrition and different diseases, for them the civil and political rights

carry little meaning.Environment degradation and human rights was first placed on the international agenda in 1972 at the UN conference on the human environment.As a result of the 1972 conference, the United Nations Environment Programme (UNEP) was set up. In 1992, twenty years after the first global environment conference, the UN conference on environment and development (UNCED) also known as the Earth summit, took place from 3rd June to 12th June in Rio de Janero. On June,1993, during the Vienna world conference on Human rights, the need for economic and social rights were considered as equal to the west's political and civil rights. When the right to development was considered,then another aspect of human right related to environment was emerged.

After the world summit 1992,the need for sustainable development was recognized. Soon after on May 16, 1994, at Geneva, the united nations drafted the first Decleration of Human rights and environment,which embodies the right of every human to be a member of a healthy, secure and ecologically sound environment. A sustainable society confirms equity, security, attainment of basic human needs and environmental justice to all.It is quite dishearting to look at the environmental inequities. The developed countries utilize most of the natural resources and enjoy the benefits of industrialization, but unfortunately they do not ber the burden of their hazardous wastes. The worker class and the poor are the main victims and sufferers of adverse effects of industrial toxins,foul smelling polluted air, unsafe drinking water, unhealthy working conditions etc. The draft decleration relating the human rights and environment describes the rights as well as duties that apply to individuals, governments, international organizations etc. The main principles of draft decleration are divided into five parts.

The first part of the draft deals with human rights for an ecologically sound environment, sustainable development and peace for all.It also emphasizes the present generation's rights to fulfill its needs to lead a dignified and good quality life,but at the same time it lays stress on the fact that it should be without imparing the rights of the future generations to meet their needs.

The second part deals mainly with human rights related to an environment free from pollution and degradation. It also emphasizes the rights for enjoyment of natural ecosystems with their rich biodiversity. It also defines rights to own native land and home. No one can be evicted from one's native place except






in emergency or due to a compelling purpose benefitting the society as a whole which is not attainable by other means.All persons have the right to get timely assistance in the event of any natural or technological disasters.

The third part concerns with the right of every person to environmental information, education and awareness.It also lays special stress on public participation in environmental decision making.The fourth part deals with the duties to protect and preserve the environment and prevent environmental harm.It includes the remedies for environmental degradation and measures to be taken for sustainable resource use.It emphasizes that states should avoid environment as a means of of war and shall respect international law for protection of environment. The last part lays stress on social justice and equality with respect to use of natural resourcee and sustainable development.

In recent years the relationship between human rights and environment issues has become an issue of vigorous debate.The link between the two emphasizes that a decent physical environment is a precondition for living a life of dignity and worth.Since human rights and the environment are interwined so fundamental rights cannot be enjoyed without a safe,clean and healthy environment.



# URBAN SPRAWL AS A CAUSE OF ENVIRONMENTAL DEGRADATION

Meetali Chalia
Associate professor, Dept. of Geography
DHSK College, Dibrugarh

Sprawling refers to the spreading out over a large area in an untidy and irregular way and spreading of a city into the surrounding area often without planning is termed as urban sprawl. Urban sprawl is a continuous process as the population and area of almost all the cities of the world grow with the passage of time. Although initially it was considered to be a problem of the American countries yet at present times it is seen in almost all the countries of the world. The need to accommodate the increasing urban population is one of the causes of urban sprawl. It also results due to the desire for an increased living space far from the crowded centers. As stated by the US Bureau of Census, local people increases and lifestyle choices are the two major causes of urban sprawl. Urban sprawl though a blessing for the unemployed and the business community has been condemned for causing environmental degradation by enlarging the footprints of metropolitan areas.

Colonization of the urban fringe or rural areas leads to the loss of open space and destruction of wildlife habitat leading to wildlife displacement which is largely responsible for man animal conflicts. The people residing in the fringe areas daily commute to their places of work or study or commercial establishments in the city thus increasing the traffic contributing to air pollution and ground level smog.

Built-up area increases with the construction of roads and buildings thus reducing





the water absorbing vegetation and permeable soils. This obstructs the absorption of water into the soil increasing flood risks.

Urban sprawl is also responsible for causing water pollution as rain water carries heavy chemicals, metals, paint spills, construction site erosion etc. in large concentrated amounts to the nearby rivers, lakes or streams thus deteriorating the water quality and threatening the aquatic ecosystems. Not only the aquatic ecosystems but urban sprawl has been a cause of alarm to all the important ecosystems around the world along with the rare and endangered species. Urban sprawl reduces diversity and creates degraded noisy surroundings.

According to National Geographic, 'Sprawl is claiming farmland at the rate of 1.2million acres a year. Wild forest, meadows and wetlands are disappearing. The remaining habitat is smaller de graded and more fragmented making survival of certain wildlife species very difficult.

Thus urban sprawl which displaces natural environment due to ever growing demand for land is regarded as one of the major current environmental problems that our world is facing. The use of land irrationally and irresponsibly to meet the ever growing demand of the greedy human wishes has a very harmful impact for human survival and hence this problem requires urgent attention.



# BIODIVERSITY & SCIENTIFIC NAMING OF PLANTS

Rajib Lochan Borah
Botany Department, DHSK College. Dibrugarh

**Introduction:** Any literate person whoever studies anything related to biodiversity, often find scientific names of plants & animals in their study. Whatever the educational background, anyone reading a scientific name of plant notices that- (i) Scientific names are in Latin languag (ii) Minimum (3) three parts in a scientific name (iii) When printed, the first two parts(words) are italised (iv) The first letter of the first word is in capital letter (v) The third part is either a Short word or a letter & (vi) Scientific names are difficult to remember.

**The Structure of Scientific name:** The scientific name(species) of mango is a good example. It is scientifically ***Mangifera indica*** L. The 1st word ***"Mangifera"*** is its "genus", the 1st letter of which must be in capital. The 2nd word ***"indica"*** is called "specific-epithet", which must be in small letters. The 3rd part "L." is called "author-citation", which is the short form indication of the scientist who 1st gave the scientific name to mango (In this case Linneaus). When all the 3(three) parts together are complete, it is a "species". Other thing to be reminded is that in handwritten manuscripts, the genus & specific-epithets must be separately underlined instead of italised fonts in print materials.

**Queries & Answers:** Often the question arises, why these complex process of scientific naming of plants & animals are adapted when there are easy names in other modem commom languages (e.g. English) or local languages (e.g. Assamese)? These queries were discussed in Europe before 1753, when India was yet to become a country. A Professor of Botany & Medicine named Carl Von Linni of Uppsala University,





Sweden answered the queries & started his famous scientific naming system called *"Binomial Nomenclature"*in that year. We know him as Carolaus Linneaus.

In Europe all languages are of equal importance & therefore Latin was chosen as one unused dying language of Europe. By doing so, Linnaeus solved language related controversy in Europe & also rescued the Latin language from extinction (Sanskrit, Pali or Prakrit of India missed the bus). The same plant has numerous different names in different languages & by Latinisation one plant has only one scientific name in entire world now. Even if a new plant is discovered in a jungle of Asia or Africa, its characters has to be first latinsed by a process called ***"Latin Diagnosis"***. When science was gaining momentum in Europe, most of the countries in the world were only colonies of England, Franc& Portugal, Germany, Spain etc. Scientific naming process of Linnaeus had to be adapted by all newly formed countries since the entire education system was just a copy of European system.

Though Linnaeus solved most of the queries of scientific naming, still new problems appeared from time to time. Therefore, All the Botanical Fraternity from time to time had to meet in an international conference and compilation of rules & regulations had to be done together in a book similar to a constitution of a country. This compilation is accepted by all countries as **International Code of Botanical Nomenclature(ICBN)**. No matter how big a scientist is, he or she must follow rules of ICBN in naming, researching & writing about plants in research articles in journals & books. Similarly, ICBN rules are equally followed by developed countries like USA & also by most underdeveloped Somalia. Now a days scientific names have become so important that, research papers related to plants are rejected by standard journals if scientific names are not properly given.

**Utilities of Scientific Names:** When a plant has only one name in the entire world even a Chinese can understand about what plant an Indian scientist is working. These saves time, labour & money due to non-repetition & non-duplication of similar works. Entire botanists in the world can have one universal organised research environment, since they can understand research works of each other. Some plants growing in the wild may not have any local name & such plants can only be known if a scientific name is adapted.


**Biodiversity in relation to scientific naming:** The best example is the ***Red Data Book*** of IUCN which gives scientific names of all the plants/animals of the world which are threatened,

endangered, extinct etc. This book can be understood by one environmentalist, only if he or she has the basic knowledge on the scientific names of plants or animals.

**Our duty:** Botanically & environmentally all plants are of equal importance to the ecosystem. Therefore, we must try to conserve both the domesticated as well as the wild flora. Often people are attracted to only the plants which have either a-local name, have beautiful flowers, yield food, yield medicines etc. But, botanically the most neglected & ugliest plant without a local name can be of equal importance, since that plant may support the life cycle of one insect which may eat mosquito(indirectiy useful). The plant which has no Assamese name may be a food for a wild migratory bird. Therefore we must rise above the local language barrier & adapt scientific names in Colleges & Schools. After all the educated should show the next generation what the "Scientific Temper" means. If we have true scientific mind, we should not confine ourselves to any local language & must free ourselves for the ocean ofbiodiversity.

**References:**


1. Dutta, A. C. "Botany For Degree Students" Oxford University Press, 1964
2. Journal of Scientific Temper-CSIR-NISCOM (Variuos issues/Internet)
3. Red Data Book - IUCN (Print/Internet)
4. Science Reporter - CSIR-NISCOM (Various issues/Internet)





# ANTIOXIDANT IN OUR EVERYDAY FOOD


Alakananda Baruah

Dept. of Botany


